# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-07-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN
**:::::::::::::::::::::::::::::::**

ৰাজ্য চৰকাৰে দুহেজাৰ গৰাকী খেলুৱৈক প্ৰশিক্ষণ প্ৰদানৰ আৱাসিক সুবিধা সৃষ্টিৰ বাবে পদক্ষেপ লৈছে। গুৱাহাটীৰ উপৰি কোকৰাঝাৰ, শিলচৰ, ডিব্ৰুগড়, তেজপুৰ, যোৰহাট, আদি স্থানত এনে আৱাসিক প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কোকৰাঝাৰত উচ্চ মান সম্পন্ন ক্ৰীড়া প্ৰশিক্ষণ আৰু পুনৰ্বাসন কেন্দ্ৰ মুকলি কৰি এই  বিষয়ে প্ৰকাশ কৰে। অভিনৱ ফিউছাৰিষ্টিক প্ৰাইভেট লিমিটেড, অইল ইণ্ডিয়া লিমিটেড আৰু নুমলীগড় শোধনাগাৰ লিমিটেডৰ যৌথ সহযোগিতাৰে ক্ৰীড়া আৰু যুৱ কল্যান বিভাগে স্থাপন কৰা এই কেন্দ্ৰটোত খেলুৱৈসকলৰ বিজ্ঞান সন্মত সমীক্ষা, ফিজিঅ'থেৰাপি আৰু পুনৰ্বাসনৰ সুবিধা, খেলুৱৈসকলৰ মানসিক আৰু শাৰিৰীক উত্তৰণ আৰু প্ৰশিক্ষণৰ সুবিধা উপলব্ধ হ'ব বুলি তেওঁ মন্তব্য কৰে। ড০ শৰ্মাই কয় যে ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয়সমূহত ৰোগীৰ সুবিধাৰ্থে এনে পুনৰ্বাসন কেন্দ্ৰ স্থাপনৰ বাবে অভিনৱ ফিউছাৰিষ্টিক প্ৰাইভেট লিমিটেডৰ সৈতে আলোচনা চলি আছে। তেওঁ লগতে অসমত ৩ টাকৈ উচ্চ মানসম্পন্ন ক্ৰীড়া প্ৰশিক্ষণ আৰু পুনৰ্বাসন কেন্দ্ৰ স্থাপনৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ অংশীদাৰ হোৱা অলিম্পিক পদক বিজয়ী অভিনৱ বিন্দ্ৰাক ধন্যবাদ জ্ঞাপন কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে আজি বড়োলেণ্ড চি ই এম কাপ ফুটবল প্ৰতিযোগিতাৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানত ড০ শৰ্মাই কয়, যে এই প্ৰতিযোগিতাই অনাগত সময়ত বড়োলেণ্ডত ফুটবল খেলৰ নৱ জাগৰণ আনি ক্ৰীড়াৰ ক্ষেত্ৰত অঞ্চলটো জিলিকি উঠাত সহায় কৰিব। তেওঁ কয়, যে বড়োলেণ্ডত শীঘ্ৰে প্ৰায় ১২৫ কোটি টকা ব্যয়ৰে এখন অত্যাধুনিক ষ্টেডিয়াম নিৰ্মাণৰ পদক্ষেপ লোৱা হ'ব। ০০০

০০০০

ভোটদাতাৰ তালিকাৰ সংশোধনী প্ৰক্ৰিয়াক লৈ নিৰ্বাচন আয়োগে বিভিন্ন জিলাত ব্যৱস্থা গ্ৰহণ কৰিছে। এনে ব্যৱস্থাৰ অংশ হিচাপে আজি বৰপেটা জিলাৰ চেঙা বিধানসভা সমষ্টিৰ বি এল অ' আৰু বি এল অ' পৰ্যবেক্ষকসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। জিলা নিৰ্বাচনী বিভাগৰ উদ্যোগত হোৱা বৰপেটা চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত প্ৰশিক্ষণত ভোটদাতাৰ তালিকা সংশোধনৰ প্ৰয়োজনীয়তা, সংশোধন পদ্ধতি, শুদ্ধ ৰূপত তালিকা প্ৰস্তুত কৰাকে ধৰি বিভিন্ন বিষয় সম্পৰ্কে অৱগত কৰা হয়। অতিৰিক্ত জিলা আয়ুক্ত গীতাশ্ৰী লাচিতৰ উপৰি নিৰ্বাচনী প্ৰক্ৰিয়াৰ সৈতে জড়িত কেইবাগৰাকীয়ে অভিজ্ঞ ব্যক্তিয়ে এই প্ৰশিক্ষণ প্ৰদান কৰে।

তামুলপুৰ বিধানসভা সমষ্টিৰ বি এল অ' আৰু বি এল অ' পৰ্যবেক্ষকসকলৰ প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ কাৰ্যসূচী আজি অনুষ্ঠিত হয়। বৰনগৰৰ তামুলপুৰ মহাবিদ্যালয়ত অনুষ্ঠিত এই প্ৰশিক্ষণ কাৰ্যসূচীত জিলা আয়ুক্ত

পংকজ চক্রৱৰ্তীয়ে সঠিক আৰু নিৰ্ভুল ভোটাৰ তালিকা প্ৰস্তুতৰ ক্ষেত্ৰত বি এল অ' সকলৰ ভূমিকাৰ বিষয়ে বৰ্ণনা কৰে। তেওঁ লগতে বি এল অ'সকলক নিষ্ঠা আৰু সততাৰে দায়িত্ব  পালন কৰিবলৈ আহ্বান জনায়।

০০০০

ৰাষ্ট্ৰসংঘৰ খাদ্য কাৰ্যসূচীৰ অধীনত অসম চৰকাৰৰ খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগে ৰাজ্যৰ শিশু আৰু মহিলাৰ ৰক্তাল্পতা দূৰ কৰাৰ বাবে **পুষ্টি প্ৰথম** নামৰ এখন আঁচনি ৰূপায়ণ কৰি আছে। এই আঁচনিৰ অধীনত ৰাজহুৱা বিতৰণ ব্যৱস্থা আৰু মধ্যাহ্ন ভোজন আঁচনিৰ অধীনত যোগান ধৰা চাউলত ফৰ্টিফাইড অৰ্থাৎ পৰিপুষ্টিযুক্ত চাউল সংযুক্ত কৰি যোগানৰ ব্যৱস্থা কৰা হৈছে।

০০০০

ব্ৰহ্মপুত্ৰৰ পাৰত এবিধ নতুন প্ৰজাতিৰ কেকো সাপৰ সন্ধান পোৱা গৈছে। এই নতুন প্ৰজাতিৰ কেকো সাপবিধক নেমাছপিছ ব্ৰহ্মপুত্ৰ বুলি নামকৰণ কৰা হৈছে। উত্তৰ পূৰ্বাঞ্চলৰ চহকী প্ৰাণীজগতত তথ্যভুক্ত হোৱা ই হৈছে এনেধৰণৰ দ্বিতীয়টো প্ৰজাতি। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই গুৰুত্বপূৰ্ণ আৱিস্কাৰৰ আঁৰত থকা সকলো গৱেষকক অভিনন্দন জনাইছে।

০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সুমন শ্যামক বোম্বে উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে বদলি কৰা হৈছে। কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰালয়ে কালি এই সন্দৰ্ভত এখন অধিসূচনা জাৰি কৰে। উল্লেখযোগ্য যে যোৱা ২৬ মে'ত উচ্চতম ন্যায়ালয়ৰ কলেজিয়ামে সুমন শ্যামক বোম্বে উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে বদলিত অনুমোদন জনাইছিল।

০০০০

ৰাজ্যৰ কেইবাখনো জিলাত জাপানীজ এনকেফেলাইটিছ্ ৰোগত আক্ৰান্ত হৈ কমেও ২৬ জন লোকৰ মৃত্যু হৈছে।  উজনি আৰু নামনি অসমৰ কেইবাখনো জিলাৰ লগতে বৰাক উপত্যকাতো কমেও ২৫০ জন লোক এই ৰোগত আক্ৰান্ত হৈছে বুলি চৰকাৰী সূত্ৰত প্ৰকাশ পাইছে। নলবাৰী, গোলাঘাট আৰু দৰং জিলাত সৰ্বাধিক লোক এই ৰোগত আক্ৰান্ত হৈছে। নলবাৰীত ১৯, গোলাঘাট আৰু দৰঙত ১৮ জনকৈ লোক এই ৰোগত আক্ৰান্ত হোৱাৰ তথ্য পোৱা গৈছে। কাৰ্বি আংলঙত আজি এই ৰোগত আক্ৰান্ত হৈ দুগৰাকী ৰোগীয়ে প্ৰাণ হেৰুৱায়। বৰ্তমান ডিফু চিকিৎসা মহাবিদ্যালয়ত এই ৰোগত আক্ৰান্ত হৈ ৫ টি শিশু চিকিৎসাধীন হৈ আছে বুলি জানিব পৰা গৈছে।

ধেমাজি জিলাত জাপানীজ এনকেফেলাইটিছৰ প্ৰাদুৰ্ভাৱ অব্যাহত আছে। জিলাখনত এইপৰ্যন্ত তিনিজন ৰোগীয়ে এই ৰোগত প্ৰাণ হেৰুৱাইছে। স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি জিলাখনত জাপানীজ এনকেফেলাইটিছ্ সদৃশ ৰোগত ১৯ জন লোক আক্ৰান্ত হৈছে। ইয়াৰে ৭ জনৰ শৰীৰত এই ৰোগৰ উপস্থিতি নিশ্চিত হৈছে। আক্ৰান্তসকলক ধেমাজি অসামৰিক চিকিৎসালয়ত পৰ্যাপ্ত চিকিৎসা প্ৰদান কৰি থকা হৈছে আৰু গুৰুতৰভাৱে আক্ৰান্ত ৰোগীসকলক ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে।

০০০০

ঃঃ সমাপ্ত ঃঃ